মোবাইল ফ্ৰেইগুলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MARCH 24, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৮৬ Guwahati, Assam ।। মূল্যঃ এটকা



আক্ৰমণৰ পিছত জুই আৰু ধোঁৱাই ছানি ধৰা মস্কোৰ ক্ৰকাছ কনছাৰ্ট হলটো


## ‘ৰাণী ৰাজ’ শেষ কৰি লখিমপুৰত উদয়



**ই-সংবাদ, ২৩ মাৰ্চঃ** অৱশেষত অপেক্ষাৰ অন্ত পেলাই লখিমপুৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে কংগ্ৰেছে। সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিয়ে শনিবাৰে নিশাৰ ভাগত প্ৰকাশ কৰা ৪৬ জনীয়া তৃতীয়খন প্ৰাৰ্থী তালিকাত মধ্যপ্ৰদেশ, ৰাজস্থান, মণিপুৰ, পশ্চিমবংগৰ কেবাটাও সমষ্টিৰ লগতে বাদ পৰি ৰোৱা অসমৰ লখিমপুৰ সমষ্টিৰো প্ৰাৰ্থীৰ নাম ঘোষণা কৰে। শেষাংশ ৪ পৃষ্ঠাত

## কনছাৰ্ট হলত গুলীচালনা, নিহত ১৪৩ জনৰো অধিক

# পুটিনৰ চহৰত আইএছৰ বৰ্বৰ আক্ৰমণ



**মস্কো, ২৩ মাৰ্চঃ** ইজৰাইলৰ পিছত এইবাৰ সন্ত্ৰাসবাদী সংগঠনৰ নৃশংসতাৰ বলি হৈছে ৰাছিয়া। পুটিনে পঞ্চমবাৰৰ বাবে ৰাছিয়াৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ এটা পষেক নৌহওতেই শুকুৰবাৰে নিশা দেশখনৰ শেষাংশ ৩ পৃষ্ঠাত

## নেখেলে হোলী, কৰিব প্ৰতিবাদ

**নতুন দিল্লী, ২৩ মাৰ্চঃ** এইবাৰ হোলী পালন নকৰে আম আদমী পাৰ্টীয়ে। দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক সাতদিনৰ ইডিৰ জিম্মালৈ প্ৰেৰণ কৰাৰ পাছতে আম আদমী পাৰ্টিয়ে হোলীৰ সময়ছোৱাত শেষাংশ ৪ পৃষ্ঠাত

## মোদী চৰকাৰৰ নীতিৰ আলোচনা কৰা বাবেই প্ৰবাসী ভাৰতীয়ক হাৰাশাস্তি

**নিউয়ৰ্ক, ২৩ মাৰ্চঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত চৰকাৰৰ নীতিৰ সমালোচনা কৰা ভাৰতীয় মূলৰ বিদেশী নাগৰিকক দমন কৰাত নামি পৰিছে মোদী চৰকাৰ। এই বিস্ফোৰক দাবী উত্থাপন কৰিছে হিউমেন ৰাইটছ ৱাচে। দিনদিয়েক পূৰ্বে নিউয়ৰ্কৰ শেষাংশ ২ পৃষ্ঠাত

## আইআইটিৰ ছাত্ৰৰ আইছিছত যোগদান! ৰাজ্যজুৰি সতৰ্কতা

**গুৱাহাটী, ২৩ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ প্ৰচাৰক লৈ ব্যস্ত ৰাজ্যৰ ৰজা-প্ৰজা সকলো। কিন্তু এই সময়তে অসমত ইছলামিক সন্ত্ৰাসবাদীয়ে খোপনী পোতাৰ প্ৰয়াস কৰি আৰম্ভ কৰি ব্যাপক তৎপৰতা আৰম্ভ কৰাৰ তথ্য প্ৰকাশ পাইছে। অসমত বৰঘৰ পাইছে ৰক্তপিপাসু আইছিছ। ইতিমধ্যে আইছিছে অসমত ভয়ংকৰ জাল শেষাংশ ২ পৃষ্ঠাত



## আলফা (স্বাঃ)ৰ সিদ্ধান্ত
## ৩ শ্ৰমিকক অৱশেষত মুক্তি

**ই-সংবাদ, ২৩ মাৰ্চঃ** ব্যাপক জল্পনা-কল্পনাৰ অন্তত তিনি কয়লাখনিৰ শ্ৰমিকক জীৱন দান দিছে সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন) চমুকৈ আলফা স্বাধীনে। ম্যানমাৰস্থিত আলফা স্বাধীনৰ শিবিৰত ৩৫ দিন ধৰি বন্দী কৰি ৰখা কয়লাখনিৰ তিনি শ্ৰমিক শেষাংশ ৪ পৃষ্ঠাত

## কাটি লৈ গ’ল খৰ্গ! কাজিৰঙাত মৃত গঁড় উদ্ধাৰ

**ই-সংবাদ, কাজিৰঙা, ২৩ মাৰ্চঃ** এটা সময়ত গঁড় হত্যা হ’লে ৰাজপথ কঁপি উঠিছিল। উজনি-নামনি অসমৰ একাংশ দল-সংগঠনে পথত বন মন্ত্ৰীৰ প্ৰতিকৃতি জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰিছিল। কিন্তু আজি অসমত শেষাংশ ৩ পৃষ্ঠাত

## ইলেক্টৰেল বণ্ড, যদু-মধু আৰু বিৰোধী...

■ **পংকজ তৰুণ**

ইলেক্টৰেল বণ্ডক লৈ চৰ্চা হোৱা নাই, ইলেক্টৰেল বণ্ড কি মানুহে জনা নাই! ৰাস্তাই-ঘাটে লগ পোৱা দুই-এজনক এনেয়ে সুধি চাইছোঁ- ইলেক্টৰেল বণ্ড কি জানেনে? এশ জনৰ ভিতৰত ৯৮ জনে উত্তৰ-নাজানো। কেনেকৈ জানিব? টিভিত এই বিষয়ে শেষাংশ ১০ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী চৰকাৰৰ নীতিৰ

বে-চৰকাৰী সংস্থাটোৱে কয় যে মোদী চৰকাৰৰ বিভিন্ন নীতিৰ সমালোচনা কৰা ভাৰতীয় মূলৰ শিক্ষাবিদ, বুদ্ধিজীৱী, সমাজ কৰ্মী আৰু সাংবাদিকৰ ভিছা বাতিল কৰিছে ভাৰত চৰকাৰে। উল্লেখ্য যে, ভাৰতীয় মূলৰ বিদেশী নাগৰিক বা ভাৰতীয় নাগৰিকৰ সৈতে বিবাহিত বিদেশীক ভাৰতৰ বহিঃৰাজ্য নাগৰিক (অ'চিআই) মৰ্যাদা প্ৰদান কৰা হয়। ইয়াৰ জৰিয়তে তেওঁলোকক ভাৰতত বাসস্থানৰ অধিকাৰ প্ৰদান কৰা হয় আৰু ভিছাৰ প্ৰয়োজনীয়তা বাইপাছ কৰা হয়। হিউমেন ৰাইটছ ৱাচৰ এক প্ৰতিবেদন অনুসৰি যিসকলৰ অ'চিআই ভিছাৰ মৰ্যাদা বাতিল কৰা হৈছে তেওঁলোকৰ বহুতেই ভাৰতীয় মূলৰ শিক্ষাবিদ, কৰ্মী আৰু সাংবাদিক, যিয়ে বিজেপিৰ হিন্দু সংখ্যাগৰিষ্ঠ মতাদৰ্শৰ সমালোচনা কৰি আহিছে। এই সন্দৰ্ভত হিউমেন ৰাইটছ ৱাচৰ এছিয়া সঞ্চালিকা ইলেইন পিয়ৰছনে কয়, 'বিজেপিৰ আচৰণ আৰু বৈষম্যমূলক নীতিক সমালোচনা কৰা অনাবাসী ভাৰতীয়ৰ বিৰুদ্ধে ভাৰত চৰকাৰৰ এই পদক্ষেপে সমালোচনা আৰু আলোচনাৰ প্ৰতি তেওঁলোকৰ মনোভাৱ প্ৰতিফলিত কৰে। ভাৰতীয় কৰ্মী আৰু শিক্ষাবিদৰ পৰা আৰম্ভ কৰি বিদেশত বাস কৰা ভাৰতীয় মূলৰ বিদেশী নাগৰিকলৈকে সকলোৰে বিৰুদ্ধে ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত দমন নীতি অৱলম্বন কৰিছে ভাৰত চৰকাৰে।" মন কৰিবলগীয়া যে, বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে যোৱা কিছু বছৰত প্ৰবাসী ভাৰতীয়ৰ ভিছাৰ মৰ্যাদাক লৈ অধিক সতৰ্ক হৈ পৰিছে। ২০২১ চনত চৰকাৰে ৪৫ লাখ অ'চিআই কাৰ্ডধাৰীক 'বিদেশী নাগৰিক' হিচাপে পুনৰ শ্ৰেণীভুক্ত কৰি তেওঁলোকৰ সুবিধা হ্ৰাস কৰিছিল আৰু তেওঁলোকক গৱেষণা আৰু সাংবাদিকতা কৰা বা 'সুৰক্ষিত' হিচাপে তালিকাভুক্ত ভাৰতৰ যিকোনো অঞ্চল ভ্ৰমণ কৰাত বাধা দিছিল। একে সময়তে বিগত দশকত চৰকাৰে 'সংবিধানৰ প্ৰতি অসন্তুষ্টি' প্ৰদৰ্শন কৰাৰ অভিযোগত এশৰো অধিক ভাৰতীয় মূলৰ বিদেশী নাগৰিকৰ অ'চিআই ভিছা বাতিল কৰাৰ লগতে একাংশ প্ৰবাসী ভাৰতীয়ক বিতাড়িতও কৰিছে। উল্লেখ্য যে, ভাৰতৰ ধৰ্মীয় আৱেগত আঘাত হনা আৰু ছ'চিয়েল মিডিয়াযোগে অপপ্ৰচাৰ চলোৱাৰ অভিযোগত ২০২২ চনত ভাৰত চৰকাৰে বাতিল কৰিছিল ভাৰতীয় মূলৰ ছুইডেনৰ শিক্ষাবিদ অশোক শ্বোৱাইনৰ অ'চিয়াইৰ মৰ্যাদা। অৱশ্যে চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে শ্বোৱেইনে দিল্লী উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰাত তেওঁৰ বিৰুদ্ধে আদালতত কোনো তথ্য-প্ৰমাণ দাখিল কৰাত ব্যৰ্থ হৈছিল কৰ্তৃপক্ষ। একেদৰে চলিত বৰ্ষৰ ২৩ ফেব্ৰুৱাৰীত ভাৰত চৰকাৰে লণ্ডনৰ ৱেষ্টমিনিষ্টাৰ বিশ্ববিদ্যালয়ৰ ব্ৰিটিছ অধ্যাপিকা নিতাশা কৌলক ভাৰতত প্ৰৱেশ কৰাত বাধা দিছিল। নিতাশা কৌলে প্ৰায়ে ভাৰত চৰকাৰৰ বিভিন্ন নীতিৰ সমালোচনা কৰি অহাৰ লগতে ২০১৯ চনত তেওঁ জন্মু-কাশ্মীৰত মানৱ অধিকাৰ উলংঘাৰ সন্দৰ্ভত আমেৰিকাৰ হাউছ কমিটী অন ফৰেইন এফেয়াৰ্ছৰ সন্মুখতো ভাষণ প্ৰদান কৰিছিল। ইফালে ২০২১ চনত দিল্লীত আন্দোলন কৰা কৃষকৰ বিৰুদ্ধে আৰক্ষী অধিক কঠোৰ হোৱা বুলি দাবী কৰা আৰু জন্মু-কাশ্মীৰৰ পৰিস্থিতি সন্দৰ্ভত ছ'চিয়েল মিডিয়াত পোষ্ট কৰাৰ বাবে অ'চিআই ভিছা বাতিল কৰা হৈছিল ভাৰতীয় মূলৰ বৃটিছ মানৱাধিকাৰ কৰ্মী অমৃত উইলছনৰ। হিউমেন ৰাইটছ ৱাচৰ দাবী অনুসৰি, ভাৰতত কৰ্তৃপক্ষই ২০২৪ চনৰ জানুৱাৰী মাহলৈকে ভাৰতত কাম কৰা অ'চিআই মৰ্যাদা থকা প্ৰায় ২৫ গৰাকী বিদেশী সাংবাদিকৰ বিৰুদ্ধে ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত কৌশল ব্যৱহাৰ কৰি বিতাড়ন কৰিছিল। আমেৰিকান-শিখ সাংবাদিক অংগদ সিঙকো ২০২২ চনত কৰ্তৃপক্ষই বিতাড়িত কৰিছিল। এই সিদ্ধান্তক প্ৰত্যাহ্বান জনাই সিঙে গোচৰ ৰুজু কৰাৰ পিছত চৰকাৰে দিল্লী উচ্চ ন্যায়ালয়ত কয় যে তেওঁ ২০২০ চনত দেশৰ সংশোধিত নাগৰিকত্ব আইনৰ বিৰুদ্ধে দিল্লীত সাব্যস্ত হোৱা প্ৰতিবাদ সন্দৰ্ভত এখন তথ্যচিত্ৰৰ জৰিয়তে নেতিবাচক দৃষ্টিভংগী দাঙি ধৰাৰ বাবেই তেওঁক বিতাড়ন কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আইআইটিৰ ছাত্ৰৰ আইছিছত

পেলোৱাৰ সন্দেহ কৰা হৈছে৷ দুদিন পূৰ্বে আইছিছৰ মুৰব্বী ধৰা পৰাৰ পাছতে এইবাৰ গুৱাহাটীৰ সমীপৱৰ্তী শিক্ষানুষ্ঠানত অধ্যয়নৰত ছাত্ৰই আইছিছৰ যোগদানৰ তথ্য প্ৰকাশ পাইছে৷ আইআইটি গুৱাহাটীত অধ্যয়নৰত ছাত্ৰই আইছিছৰ হকে কাম কৰাৰ অভিযোগ উঠিছে৷ আইআইটি গুৱাহাটীত অধ্যয়নৰত ছাত্ৰজনৰ নাম তৌছিফ আলী ফাৰুকি বুলি জানিব পৰা গৈছে৷ গুৱাহাটীৰ পাণবজাৰৰ আজমত আলী ফাৰুকিৰ পুত্ৰ তৌছিফ আলী ফাৰুকি বুলি জানিব পৰা গৈছে৷ আৰক্ষীয়ে বিশ্বত্ৰাস সন্ত্ৰাসবাদী সংগঠন আইএছআইএছৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ এটা ই-মেইল উদ্ধাৰ কৰা বুলি প্ৰকাশ পাইছে৷ ই-মেইলত ফাৰুকিয়ে সন্ত্ৰাসবাদী সংগঠনটোত যোগদানৰ কথা প্ৰকাশ কৰিছিল৷ এক ইমেইলৰ জৰিয়তে ফাৰুকিয়ে নিজেই এই কথা ঘোষণা কৰিছে। উল্লেখ্য যে, মাত্ৰ দুদিন পূৰ্বে ধুবুৰীৰ ধৰমশালাত অসম আৰক্ষীয়ে অভিযান চলাই গ্ৰেপ্তাৰ কৰিছিল দুই আইছিছৰ শীৰ্ষ নেতাক। হৰিশ ফাৰুকি ওৰফে হৰিশ আজমল ফাৰুকি আৰু অনুৰাগ সিং ওৰফে ৰেহানক গ্ৰেপ্তাৰ কৰিছিল। ৰেহানে হিন্দু ধৰ্ম ত্যাগ কৰি ইছলাম গ্ৰহণ কৰিছিল৷ হৰিশ ফাৰুকি আইএছআইএছৰ ভাৰতৰ মুৰব্বী বুলি সন্দেহ কৰা হৈছে। কাঁটা তাঁৰ পাৰ হৈ অসমত প্ৰৱেশৰ উদ্দেশ্যে কি আছিল সেই কথা আৰক্ষীয়ে প্ৰকাশ কৰা নাই। চোৰাংচোৱাৰ সতৰ্কতাত অসমত বাহৰ পাতি কৰিবলীয়া পৰিকল্পনা ব্যৰ্থ হয়। ভাৰত-বাংলাদেশ সীমান্তৰ ধুবুৰী জিলাত বাহৰ পাতি অসমৰ যুৱকক পথভ্ৰষ্ট কৰি আইএছআইএছত যোগদান কৰাবলৈ প্ৰয়াস কৰিবলৈ তৎপৰতা আৰম্ভ কৰাৰ সন্দেহ কৰা হৈছে৷ অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে অভিযান অব্যাহত ৰাখিছে৷ গোচৰ ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা নিয়ালৈ হস্তান্তৰ কৰা হৈছে৷ অসমত আইআইটিৰ ছাত্ৰই বিশ্বত ত্ৰাসৰ সৃষ্টি কৰি অহা সন্ত্ৰাসবাদী সংগঠনত যোগদান কৰাটো ৰাজ্যবাসীৰ বাবে উদ্বেগৰ কাৰণ হৈ পৰিছে৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# কাটি লৈ গ'ল খৰ্গ

আন্দোলন কৰিবলৈ কাৰোৰে সাহস নাই৷ গঁড় হত্যা হ'লেও প্ৰতিবাদ কৰিবলৈ ওলাই নাহে দল-সংগঠন৷ ৪ মাহৰ ভিতৰত দুটাকৈ গঁড় নিধন কৰি খৰ্গ কাটি নিয়াৰ অভিযোগ উঠিছে৷ তথাপিও সংবাদ মাধ্যমত গুৰুত্বসহকাৰে বাতৰি প্ৰকাশ নোপোৱাৰ লগতে দল-সংগঠনে প্ৰতিবাদ কৰাটো দূৰৰ কথা প্ৰতিক্ৰিয়া দিয়াও পৰিলক্ষিত হোৱা নাই৷ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা বুলি দাবী কৰাৰ সময়তে ২২ জানুৱাৰীত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰীয়ে গঁড় হত্যা কৰি কাটি নিছিল খৰ্গ৷ কাজিৰঙাৰ অগৰাতলী ৰেঞ্জত খৰ্গ বিহীন মৃত গঁড় উদ্ধাৰ হৈছিল আৰু চোৰাং চিকাৰীয়ে গঁড়টোক গুলীয়াই হত্যা কৰি খৰ্গ কাটি নিছিল৷ অগৰাতলীৰ মাকলুং বন শিবিৰত মৃত গঁড় উদ্ধাৰ কৰিছিল৷ তাৰ পাছতে আজি পুনৰ এটা গঁড় হত্যা কৰি খৰ্গ কাটি নিয়াৰ অভিযোগ উত্থাপন হৈছে৷ ৰাষ্ট্ৰীয় উদ্যানখনৰ বুঢ়াপাহাৰ ৰেঞ্জৰ ভিতৰত উদ্ধাৰ হৈছে গঁড়টোৰ মৃতদেহ। ৰাষ্ট্ৰীয় উদ্যানখনৰ বুঢ়াপাহাৰ ৰেঞ্জত মৃত গঁড়ৰ মৃতদেহ উদ্ধাৰ হৈছে। মৃতদেহ উদ্ধাৰৰ পাছতে তাৎক্ষণিকভাৱে বন বিভাগৰ বিষয়াসকল ঘটনাস্থলীত উপস্থিত হৈ গঁড়টোৰ মৃতদেহ উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰে। চোৰাং চিকাৰীয়ে গঁড়টোক নিধন কৰাৰ অভিযোগ উত্থাপন হয়৷ কিন্তু কিছু মুহূৰ্তৰ পাছতে গড়ঁ হত্যা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালিকা সোণালী ঘোষে। চোৰাং চিকাৰীয়ে গঁড়টো হত্যা কৰা নাই বুলি কয় সোণালী ঘোষে। অন্য গড়ঁৰ সৈতে কাজিয়াত লিপ্ত হোৱাতহে গড়ঁটোৰ মৃত্যু হোৱা দাবী কৰে সঞ্চালিকাগৰাকীয়ে। গড়ঁৰ খৰ্গটো অক্ষত অৱস্থাত আছে বুলি কৈ চোৰাং চিকাৰীয়ে গড়ঁ নিধন কৰা খবৰক উৰাবাতৰি আখ্যা দিয়ে৷ কিন্তু একাংশ দল-সংগঠনে গঁড়টোক চোৰাং চিকাৰীয়ে হত্যা কৰিছে বুলি দাবী কৰিছে৷ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে বন বিভাগক চোকা সমালোচনা কৰি চলিত বছৰটোত এয়া তৃতীয়টো হত্যাকাণ্ড বুলি কয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালকৰ কাম-কাজত স্থানীয় ৰাইজ সন্তুষ্ট নহয় বুলিও জানিব পৰা গৈছে৷ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনতে চোৰাং চিকাৰীয়ে গঁড় হত্যা কৰি খৰ্গ কাটি নিয়াৰ অভিযোগে সৰ্বত্ৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ কিয়নো চৰকাৰে গঁড় হত্যা ৰোধ কৰা বুলি বিভিন্ন সময়ত দাবী কৰি আহিছে৷ এই দাবীক অসাৰ প্ৰতিপন্ন কৰি দুটা মাহৰ ভিতৰত দুটাকৈ গঁড় হত্যা কৰাৰ অভিযোগক সহজে ল'ব পৰা নাই প্ৰকৃতিপ্ৰেমীয়ে। একাংশ প্ৰকৃতিপ্ৰেমীয়ে বিগত সময়ছোৱাত ৰাষ্ট্ৰীয় উদ্যানখনত একাধিক গঁড় চোৰাং চিকাৰীৰ কবলত পৰিছে যদিও সেই খবৰ উদ্যান কৰ্তৃপক্ষই গাপ দি ৰখা বুলিও দাবী কৰা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পুটিনৰ চহৰত আইএছৰ

ৰাজধানী মস্কোৰ এটি কনচাৰ্ট হলত আক্ৰমণ সংঘটিত কৰে সন্ত্ৰাসবাদী সংগঠনে। এই আক্ৰমণৰ ঘটনাত অতিকমেও ১৪৩ জন লোক নিহত হোৱাৰ লগতে আহত হৈছে ডেৰ শতাধিক লোক। ইতিমধ্যে ঘটনাৰ সৈতে জড়িত ১১ জন লোকক কৰায়ত্ত কৰিবলৈ সমৰ্থ হৈছে ৰাছিয়াৰ নিৰাপত্তাৰক্ষী। এই ১১জনৰ ভিতৰত ৪ জন পোনপটীয়াকৈ আক্ৰমণটোত জড়িত আছিল বুলি মস্কো আৰক্ষীয়ে স্থানীয় সংবাদ মাধ্যমক জনাইছে। প্ৰকাশিত বাতৰি অনুসৰি সন্ত্ৰাসবাদীৰ দলটোৱে আক্ৰমণ সংঘটিত কৰাৰ পিছতে এখন বিলাসী গাড়ীত উঠি পলায়ন কৰে। দিনটোৰ বেছিভাগ সময় মৌন হৈ থকাৰ পিছত শনিবাৰে নিশা পুটিনে এই আক্ৰমণক "সন্ত্ৰাসবাদৰ বৰ্বৰ কাৰ্য্য" বুলি অভিহিত কৰে। লগতে তেওঁ কয় যে অহা ২৪ মাৰ্চ অৰ্থাৎ দেওবাৰে দেশত ৰাষ্ট্ৰীয় শোক পালন কৰা হ'ব। স্থানীয় সংবাদ মাধ্যম বিএনঅ' নিউজৰ মতে, শুকুৰবাৰে নিশা মস্কোৰ ক্ৰাকাছ চিটি হলত চাৰিজন লোকে গুলীচালনা কৰে। ইয়াৰ ভিতৰত দুজন আক্ৰমণকাৰীয়ে ৬০ জন লোকক গুলীয়াই হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে। ৰাছিয়াৰ সংবাদ মাধ্যমৰ মতে, আক্ৰমণৰ পিছতে এখন বগা গাড়ীৰে চাৰিৰ পৰা ছয়জন উগ্ৰপন্থীয়ে পলায়ন কৰে। ব্ৰাইয়ানস্ক অঞ্চলত আৰক্ষীয়ে গাড়ীখন খেদি খেদি ধৰিবলৈ সমৰ্থ হয়। চাৰিজন উগ্ৰপন্থীকো গ্ৰেপ্তাৰ কৰা হয়। গাড়ীখনৰ পৰা আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। প্ৰকাশিত বাতৰি অনুযায়ী শুকুৰবাৰে সন্ধিয়া মস্কোৰ ক্ৰকাছ চিটি হলত অনুষ্ঠান পৰিৱেশন কৰিছিল ৰাছিয়াৰ ৰক বেণ্ড 'পিকনিক'-এ। হাজাৰ হাজাৰ দৰ্শকেৰে ভৰি থকা হলটোত হঠাৎ সৈনিকৰ সাজ-পোছাক পৰিধান কৰি কনচাৰ্ট হলত প্ৰৱেশ কৰে উগ্ৰপন্থীয়ে। ইয়াৰ পিছত সন্ত্ৰাসবাদী দলটোৱে জধ-মধে গুলীচালনা আৰম্ভ কৰে। প্ৰত্যক্ষদৰ্শীসকলে গ্ৰেনেড আৰু বোমাও নিক্ষেপ কৰা হৈছে বুলি জনাইছে। ফলত কনচাৰ্ট হলটো ধোঁৱাৰে ভৰি পৰে। ভাইৰেল হৈ পৰা এটা ভিডিঅ'ত দেখা গৈছে যে আক্ৰমণৰ ঘটনাৰ বহু সময় পিছলৈকে হলটোৰ ভিতৰৰ পৰা ক'লা ধোঁৱা ওলাই আছিল। পিছত অগ্নিনিৰ্বাপক বাহিনীৰ তিনিখন হেলিকপ্টাৰে জুই নিৰ্বাপন কৰে। বহুতে জীয়াই থাকিবলৈ চকীৰ আঁৰত লুকাই আছিল। কিছুমানে বেছমেণ্টত বা ছাদলৈ দৌৰি গৈ প্ৰাণ ৰক্ষাৰ চেষ্টা চলায়। ইউৰোপীয়ান ইউনিয়ন, ফ্ৰান্স, স্পেইন আৰু ইটালীয়ে এই আক্ৰমণক গৰিহণা দিছে। আমেৰিকাই এই আক্ৰমণৰ আঁৰত আই এছৰ খোৰাছান শাখা জড়িত আছে বুলি সন্দেহ ব্যক্ত কৰিছে। উল্লেখ্য যে আক্ৰমণ সংঘটিত হোৱাৰ পিছতে ইছলামিক সন্ত্ৰাসবাদী সংগঠন ইছলামিক ষ্টেট চমুকৈ আইএছে আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। হোৱাইট হাউছে কয় যে তেওঁলোকে চলিত মাহৰ আৰম্ভণিতে মস্কোক চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত এনে ঘটনা সম্পৰ্কে সকীয়াই দিছিল। অৱশ্যে এই সন্দৰ্ভত মস্কোৱে কোনো মন্তব্য কৰা নাছিল। ইফালে, ৰাছিয়াৰ একাংশ সংবাদ মাধ্যমে এই ঘটনাৰ সৈতে ইউক্ৰেইন জড়িত আছে বুলি দাবী কৰিছে। অৱশ্যে আমেৰিকাই স্পষ্ট কৰি দিছে যে ইউক্ৰেইনৰ যুদ্ধৰ সৈতে ইয়াৰ কোনো সম্পৰ্ক নাই। ইউক্ৰেইনেও ইয়াৰ দায়িত্ব অস্বীকাৰ কৰিছে। উল্লেখ্য যে এই আক্ৰমণৰ পিছত সন্ত্ৰাসবাদীৰ দলটোৱে ইউক্ৰেইনৰ সীমান্তৰ ফালে পলায়ন কৰিছিল বুলি দাবী কৰিছে ৰাছিয়াই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নেখেলে হোলী, কৰিব

হোলীৰ পৰিৱৰ্তে বিশেষ প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীক অসাংবিধানিকভাৱে গ্ৰেপ্তাৰ কৰা বুলি অভিযোগ তুলি আপে ঘোষণা কৰিছে যে, এইবেলি তেওঁলোকে ৰঙৰ উতসৱ হোলী উদযাপন নকৰে। উক্তদিনটোত আম আদমীৰ সকলো শীৰ্ষ নেতাই প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে ২৬মাৰ্চত প্ৰধানমন্ত্ৰীৰ বাসভৱন ঘেৰাও কৰিব। আম আদমীৰ নেতা তথা মন্ত্ৰী গোপাল ৰায়ে শেহতীয়াকৈ এখন সংবাদমেল সম্বোধন কৰি এই ঘোষণা কৰাৰ লগতে বিজেপি চৰকাৰক তীব্ৰ কটাক্ষ কৰে। কেৱল ভোটৰ অংক আৰু আগন্তুক নিৰ্বাচনত ভীতিগ্ৰস্ত হৈ বিজেপি চৰকাৰে এনে পন্থাৰ সহায় লোৱা বুলি কয় মন্ত্ৰীগৰাকীয়ে। ৰায়ে লগতে কয় যে, আপৰ নেতৃত্বক মুখ্যমন্ত্ৰী কেজৰিৱালৰ পৰিয়ালক লগ ধৰিবলৈও দিয়া নাই। এয়া একনায়ত্ববাদী চৰকাৰ চূড়ান্ত ৰূপ। আমি ২৩মাৰ্চত দিল্লীৰ শ্বহিদী পাৰ্কত প্ৰতিবাদৰ লগতে ২৪মাৰ্চত দিল্লীৰ প্ৰতিটো বিধানসভা ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ পুত্তলিকা দাহ কৰিম। ২৫মাৰ্চত আমি হোলী উদযাপন নকৰো তাৰ পৰিৱৰ্তে বিজেপিৰ বিৰুদ্ধে আমি প্ৰতিঘৰ দিল্লীবাসীৰ কাষ চাপিম। তাৰ পিছত দিনা অৰ্থাত ২৬মাৰ্চৰ দিনা আমি প্ৰধানমন্ত্ৰী বাসভৱন ঘেৰাও কৰিম' এইখিনিতে উল্লেখ নকৰি নোৱাৰি যে, আদালতত ৩২পৃষ্ঠাৰ আবেদনত ই ডিয়ে কেজৰিৱালৰ বিৰুদ্ধে বহুকেইটা বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। দক্ষিণৰ লবীৰ পৰা উতকোচ লৈ প্ৰায় ৬০০কোটি টকাৰ কেলেংকাৰীৰে আবকাৰী নীতি সলনি কৰিছিল বুলি ইডিয়ে অভিযোগনামা দাখিল কৰিছে। ইফালে দিল্লী উচ্চ ন্যায়ালয়তো বিমুখ হয় দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকী। শনিবাৰে দিল্লী উচ্চ ন্যায়ালয়ত অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰ আৰু ৰাইউচ এভিনিউ আদালতে ২৮ মাৰ্চলৈকে ইডিৰ জিম্মালৈ প্ৰেৰণ কৰা নিৰ্দেশক প্ৰত্যাহ্বান জনাই জৰুৰী শুনানিৰ বাবে এক আৱেদন দাখিল কৰিছিল কেজৰিৱালৰ আইনী দলে। কিন্তু ন্যায়ালয়ে এই আৱেদন অগ্ৰাহ্য কৰি বিষয়টো জৰুৰী শুনানিৰ বাবে অস্বীকাৰ কৰে। ইয়াৰ ফলত এই আৱেদনৰ শুনানি অহা বুধবাৰেহে ন্যায়ালয়ৰ কাৰ্যসূচীৰ তালিকাভুক্ত হ'ব। কিয়নো ২৪ মাৰ্চ দেওবাৰ হোৱাৰ বিপৰীতে ২৫ আৰু ২৬ মাৰ্চত হোলী উপলক্ষে ন্যায়ালয় বন্ধ থাকিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ৰাণী ৰাজ' শেষ কৰি

এই অনুযায়ী এইবাৰ লখিমপুৰ সমষ্টিক কংগ্ৰেছৰ হৈ বিজেপিক প্ৰত্যাহ্বান জনাব এখন নতুন মুখে। কংগ্ৰেছৰ এটি সূত্ৰই জনোৱা মতে প্ৰাক্তন সাংসদ ৰাণী নৰহে নেৰানেপেৰাকৈ প্ৰাৰ্থিত্ব দাবী কৰি অহাৰ পৰিপ্ৰেক্ষিততে শেষ মুহূৰ্তলৈকে প্ৰাৰ্থী ঘোষণাত অব্যাহত আছিল জটিলতা। ৰাণী নৰহৰ বিপৰীতে লখিমপুৰত বিজেপিৰ পৰা আহি কংগ্ৰেছত যোগ দিয়া উদয় শংকৰ হাজৰিকা আছিল অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাৰ পছন্দৰ প্ৰাৰ্থী। কিন্তু নতুন দিল্লীৰ হাইকমাণ্ডৰ সৈতে অতীজৰে পৰা অতি শক্তিশালী আৰু ঘনিষ্ঠ সম্পৰ্ক থকা ৰাণী নৰহে এইক্ষেত্ৰত বাধা হৈ থিয় দিছিল। কিন্তু অন্তিম মুহূৰ্তত ৰাণী নৰহৰ পৰিৱৰ্তে নতুন মুখ উদয় শংকৰ হাজৰিকাৰ নামতেই মোহৰ মাৰে হাইকমাণ্ডে। ফলত এতিয়া লখিমপুৰ সমষ্টিত কংগ্ৰেছৰ পৰা গৈ বিজেপি হোৱা প্ৰদান বৰুৱা আৰু বিজেপিৰ পৰা আহি কংগ্ৰেছী হৈ পৰা উদয় শংকৰ হাজৰিকাৰ যুঁজখন আকৰ্ষণীয় হৈ পৰিব। উল্লেখ্য যে আজি কংগ্ৰেছে ঘোষণা কৰা ৪৬ জনীয়া তালিকাত দিগ্বিজয় সিং, কাৰ্তি চিদাম্বৰম, অখিলেশ প্ৰতাপ সিং, দানিশ আলীকে ধৰি কেবাগৰাকীও হাইপ্ৰফাইল নেতাৰ নামো আছে। মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী দিগ্বিজয় সিঙে ৰাজ্যখনৰ ৰাজগড় আৰু দিনদিয়েক পূৰ্বে বহুজন সমাজ পাৰ্টি এৰি কংগ্ৰেছ দলত যোগ দিয়া দানিশ আলীয়ে উত্তৰ প্ৰদেশৰ আমৰোহা সমষ্টিৰ পৰা টিকট লাভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩ শ্ৰমিকক অৱশেষত মুক্তি

মহৰী জ্ঞান থাপা, লেখক বৰা আৰু চন্দন নাৰ্জাৰীক আজি মুকলি কৰি দিছে আলফা স্বাধীন আৰু এনএছচিএনে। কয়লাখনিৰ মালিকে দাবী কৰা ধন আদায় নিদিয়াত অপহৰণ কৰিছিল জ্ঞান থাপা, লেখক বৰা আৰু চন্দন নাৰ্জাৰীক। জ্ঞান থাপা, লেখক বৰা আৰু চন্দন নাৰ্জাৰীক আলফা স্বাধীনে অৰুণাচলৰ নামপুংৰ লুংভি বস্তিত মুকলি কৰি দিয়া বুলি জানিব পৰা গৈছে। তিনি অপহৃতক অৰুণাচলৰ মানমৌস্থিত আৰক্ষীয়ে স্বাস্থ্য পৰীক্ষা কৰাই অপহৰণ কাণ্ডক লৈ সোধ-পোছ অব্যাহত কৰে। অৰুণাচলৰ নামপুং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ তত্ত্বাৱধানত অসম আৰক্ষীৰ জৰিয়তে পৰিয়ালক গতাই দিয়া হ'ব তিনি অপহৃতক। শেহতীয়াকৈ ভাৰত-ম্যানমাৰ সীমান্তৱৰ্তী এলেকাত বিভিন্ন কূটাঘাত সংঘটিত হৈ অহাৰ মাজতে ১৭ ফেব্ৰুৱাৰীত অৰুণাচলৰ কয়লাখনিৰ মহৰীসহ তিনিজন লোকক অস্ত্ৰ দেখুৱাই অপহৰণ কৰিছিল আলফা স্বাধীনে। অৰুণাচলৰ চাংলাঙৰ পৰা কয়লাখনিত কৰ্মৰত লোকক অপহৰণ কৰিছিল তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছিল। জ্ঞান থাপা নামৰ মহৰীগৰাকীৰ লগতে মুঠ তিনিজন লোকক চাংলাং জিলাৰ ফিণভীৰুৰ মংগচা বস্তিৰ পৰা অস্ত্ৰধাৰীয়ে উঠাই নিছিল। শ্ৰমিকসকলে ৰঞ্জিৎ থাপা নামৰ কয়লাখনিৰ মালিকজন অধীনত কাম কৰি আছিল। আলফা স্বাধীন আৰু এনএছচিএনে অস্ত্ৰ দেখুৱাই অপহৰণ কৰাৰ সন্দেহ কৰা হৈছিল। সন্দেহ কৰা মতে, কয়লাখনিৰ মালিকক ধন দাবী কৰিছিল আলফা স্বাধীন আৰু এনএছচিএনে। দাবী কৰা ধন আদায় নিদিয়াত অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত দলে অপহৰণ কৰাৰ সন্দেহ কৰা হৈছিল। আসাম ৰাইফলছ, অসম আৰু অৰুণাচল আৰক্ষীয়ে যুটীয়া অভিযান চলাই অপহৃতক উদ্ধাৰৰ চেষ্টা অব্যাহত ৰাখিছিল। তিনিচুকীয়া জিলাৰ আৰক্ষীয়ে যৌথ অভিযানত অংশ লৈছিল। দাবী কৰা ধন আদায় দিয়াত নে আন কোনো কাৰণত শ্ৰমিককেইজনক মুকলি কৰি দিছে সেয়া স্পষ্টকৈ জানিব পৰা হোৱা নাই।

# কঠালবাৰীত ৮৭ তম আঞ্চলিক শ্ৰীশ্ৰীকৃষ্ণ দৌল মহোৎসৱৰ আয়োজন

ই-সংবাদ, বৰমা ২৩ মাৰ্চঃ নলবাৰী জিলাৰ বৰমাৰ কঠালবাৰীত ২৪-২৯ মাৰ্চলৈ ছয় দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৮৭ তম শ্ৰীশ্ৰীকৃষ্ণ দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে। হৰিদাস ৰাজবংশীক সভাপতি, কৃষ্ণ ৰাজবংশীক কাৰ্যকৰী সভাপতি, মনোজ ৰাজবংশীক সাধাৰণ সম্পাদক হিচাপে লৈ আঞ্চলিক শ্ৰীশ্ৰীকৃষ্ণ দৌল মহোৎসৱ উদযাপন সমিতি গঠন কৰা হৈছে। ২৪ মাৰ্চৰ পুৱা দৌল মহোৎসৱৰ বন্তি প্ৰজ্বলন কৰিব উদযাপন সমিতিৰ উপ-সভাপতি সৰ্বেশ্বৰ ৰাজবংশীয়ে। পতাকা উত্তোলন কৰিব দৌল মহোৎসৱ উদযাপন সমিতিৰ সভাপতি হৰিদাস ৰাজবংশীয়ে। ৮ বজাত গছপুলি ৰোপন, ৯বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বিশিষ্ট সমাজসেৱক কন্দৰ্প শৰ্মাই। দিনৰ ১ বজাত দৌল মহোৎসৱৰ দ্বাৰ উন্মোচন কৰিব মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। বন্তি প্ৰজ্বলন কৰিব নলবাৰী জিলা আয়ুক্ত বৰ্ণালী ডেকাই। দিনৰ ১ বজাত বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে উদ্বোধন কৰিবলগীয়া দৌল মহোৎসৱৰ উন্মোচনী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বঙাইগাঁও সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰী। আবেলি ৪ বজাৰ পৰা সাংস্কৃতিক মঞ্চ উদ্বোধন, কাৰ্যনিৰ্বাহক সভা, সম্বৰ্ধনাৰ পাছত ছেলফি পইণ্ট উন্মোচন কৰা হ'ব। সন্ধিয়া অনুষ্ঠিত হ'ব একক নৃত্য প্ৰতিযোগিতা। ২৫ মাৰ্চৰ পুৱা ধৰ্মধ্বজা উত্তোলন কৰিব দৌল মহোৎসৱ উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি কৃষ্ণ ৰাজবংশীয়ে। পতাকা উত্তোলন কৰিব কৃতি শিক্ষক কৰুনাকান্ত তালুকদাৰ, সমাজকল্যাণ বিভাগৰ অৱসৰী বিষয়া অমৃত শৰ্মা, সমাজসেৱক প্ৰবীণ ৰাজবংশীয়ে। ৯ বজাত দৌল মন্দিৰৰ দ্বাৰ মুকলি, বিগ্ৰহ স্থাপন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পন, ফাকুৱা উৎসৱ, নাগাৰা নাম, সন্ধিয়া চাৰ্কাচ প্ৰদৰ্শন, মঙ্গল আৰতি অনুষ্ঠিত হ'ব। ২৬ মাৰ্চৰ পুৱা আয়তীৰ দিহানাম প্ৰতিযোগিতা, ঢুলীয়া পৰিবেশন, মহিলাৰ থিয়নাম প্ৰদৰ্শন, চাৰ্কাছ প্ৰদৰ্শন আৰু ঢুলীয়া নাট প্ৰদৰ্শন কৰা হ'ব। ২৭ মাৰ্চৰ পুৱা দৌল গোবিন্দৰ পূজা অৰ্চনা, ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা, বড়ো আধুনিক গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৮ মাৰ্চৰ পুৱাৰে পৰা চিত্ৰাংকন প্ৰতিযোগিতা, অসমীয়া আধুনিক গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা, সন্ধিয়া হৰিদাস ৰাজবংশীৰ সভাপতিত্বত বঁটা বিতৰণী সভা-সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া ৭ বজাৰ পৰা আৰম্ভ হ'বলগীয়া সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় কণ্ঠশিল্পী বাবু আৰু প্ৰিয়ংকাই গীত গাব। ২৯ মাৰ্চৰ পুৱা সুঁৱৰি উৎসৱ-বিগ্ৰহ পৰিভ্ৰমণ, আবেলি চাৰ্কাছ প্ৰদৰ্শন আৰু নিশা দৌল উৎসৱৰ সামৰণি পৰিব।

# প্ৰদ্যুৎ বৰদলৈয়ে নগাঁৱত প্ৰাৰ্থিত্ব পোৱাতো বিচৰা নাছিল

## নুৰুল হুদাৰ মন্তব্যত স্পষ্ট হ'ল এই কথা

**ই-সংবাদ, ২৩ মাৰ্চঃ** কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনৰ লগতে তেওঁৰ সকলো ঘনিষ্ঠ নেতাই নগাঁও সমষ্টিত প্ৰদ্যুৎ বৰদলৈয়ে টিকট পোৱাটো বিচৰা নাছিল। এই কথা আজি পুনৰবাৰ স্পষ্ট হ'ল ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাৰ মন্তব্যত। ৰকিবুল হুছেইনৰ অন্যতম ঘনিষ্ঠ তথা ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাই আজি এই কথা স্বীকাৰ কৰিছে। নৰুল হুদাই কয় যে মই প্ৰদ্যুৎ বৰদলৈক নগাঁও সমষ্টিত টিকট পোৱাটো বিচৰা নাছিলো। নগাঁৱত অইন এজনক টিকট দিয়াটো বিচাৰিছিলো। আজি নগাঁৱত সংবাদমাধ্যমত সন্মুখত এই কথা অকপটে স্বীকাৰ কৰে নুৰুল হুদাই। কংগ্ৰেছে টিকট ঘোষণাৰ পূৰ্বে নগাঁও লোকসভা সমষ্টিত গৌৰৱ গগৈক প্ৰাৰ্থীত্ব দিয়াৰ ব্যাপক চৰ্চা চলিছিল। কলিয়াবৰ সমষ্টি বিলুপ্তি ঘটাত যোৰহাট সমষ্টিৰ পৰিৱৰ্তে গৌৰৱ গগৈক সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা নগাঁও সমষ্টিত প্ৰাৰ্থীত্ব দাবী কৰিছিল ৰকিবুল হুছেইনে। কিন্তু প্ৰদ্যুৎ বৰদলৈ আছিল আকোঁৰগোজ। শেষত কেন্দ্ৰীয় নেতৃত্বই প্ৰদ্যুৎ বৰদলৈক নগাঁও সমষ্টিত প্ৰাৰ্থীত্ব দিবলগীয়া হয়। আজি নগাঁও জিলা কংগ্ৰেছৰ কাৰ্যালয়ত এখন সভাত অংশগ্ৰহণ কৰি নৰুল হুদাই কয় যে মই নগাঁৱত অইন নেতাক প্ৰাৰ্থিত্ব দিয়াটো বিচাৰিছিলো। কিন্তু দলৰ সিদ্ধান্তত মোৰ কোনো আপত্তি নাই। প্ৰদ্যুৎ বৰদলৈয়ে টিকট পোৱাত প্ৰথমময়েই শুভেচ্ছা জনাইছে। কংগ্ৰেছত কোনো মতানৈক্য নাই। আমি সকলো এক। ৰূপহীহাটত মই প্ৰদ্যুৎ বৰদলৈক লৈ সভা কৰিছো, ৰাইজে বিপুল ভোটত প্ৰদ্যুৎ বৰদলৈক জয়ী কৰাব।



মস্কোত আততায়ীৰ গুলিত প্ৰাণ হেৰুওৱা আত্মীয়ক এনেদৰেই শ্ৰদ্ধাঞ্জলি যাচিলে এগৰাকী ব্যক্তিয়ে

# কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী আমিৰুল ইছলামক গ্ৰেপ্তাৰ আৰক্ষীৰ

**ই-সংবাদ, মৈৰাবাৰী, ২৩ মাৰ্চঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীত দীৰ্ঘদিন ধৰি ক'ফ চিৰাপৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা কুখ্যাত আমিৰুল ইছলামক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে আৰক্ষী। মৈৰাবাৰী আৰক্ষী থানাৰ উপ-পৰিদৰ্শক প্ৰণৱজ্যোতি ৰাভাৰ নেতৃত্বত এটা অভিযানকাৰী দলে থানাৰ সমীপত অভিযান চলায়। স্কুটিত ভৰাই ড্ৰাগছ বিক্ৰী কৰিবলৈ অনাৰ সময়তে হাতে-লোটে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আমিৰুল ইছলামক। ক'ফ চিৰাপ ব্যৱসায়ী আমিৰুল ইছলামৰ ঘৰ নগাঁও জিলাৰ তাঁতীকতা পথাৰত। মৈৰাবাৰী আৰক্ষীয়ে এএছ-০২-এপি-১৮৭১ নম্বৰৰ স্কুটি, এটা মোবাইল ফোন, ১৭টা কফ চিৰাপ জব্দ কৰিবলৈ সক্ষম হয়। ড্ৰাগছ আৰু নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে মৈৰাবাৰী আৰক্ষীয়ে কঠোৰ স্থিতি লোৱাৰ পিছৰে পৰা অঞ্চলটোত পূৰ্বৰ তুলনাত অবৈধ সামগ্ৰী সৰবৰাহ কিছু পৰিমাণে হ্ৰাস পাইছে।

## উপ-পৰিবহণ আয়ুক্ত গৌতম দাসৰ নেতৃত্বত ঘৰে-ঘৰে ডিমাণ্ড নটিছ প্ৰেৰণ

# ৩১ মাৰ্চ সমাগত! কৰফাঁকি দি সাৰি যাব নোৱাৰিব কোনো বাহন





**গুৱাহাটী, ২৩ মাৰ্চঃ** চলিত বিত্তীয় বৰ্ষ শেষ হ'বলৈ সন্মুখত মাথোঁন এটা সপ্তাহ! এগৰাকী দায়িত্বশীল নাগৰিক হিচাপে আপুনি বাৰু বাহনৰ নথি-পত্ৰসমূহ অৰ্থাৎ কৰ আদায়, বীমা, ফিটনেছ, পাৰ্মিট, প্ৰদূষণমুক্ত আদিৰ সঠিক প্ৰমাণপত্ৰ সংগ্ৰহ কৰিলেনে ? যদিহে নাই কৰা তেন্তে আজিয়েই কৰক ৷ আজিয়েই যানবাহনৰ বকেয়াসহ যাৱতীয় সকলো কৰ আদায় দিয়ক আৰু বাহনৰ নথিপত্ৰ নৱীকৰণ কৰক ৷ ৰাজ্যৰ ৰাজপথত সুৰক্ষিত যাতায়াত অব্যাহত ৰখাৰ লক্ষ্যৰে যানবাহনৰ নথিপত্ৰ নৱীকৰণ কৰাৰ সুবিধাৰ্থে আজি বন্ধৰ দিনাও কাৰ্যালয় খোলা থকাৰ লগতে অহা ২৯মাৰ্চ গুডফ্ৰাইডে আৰু ৩১মাৰ্চ দেওবাৰৰ দিনাও পৰিবহণ বিষয়াৰ কাৰ্যালয় খোলা থাকিব । বাহনৰ কৰ আদায়ৰ পিছতো যদি নথিপত্ৰ নৱীকৰণত অসুবিধাৰ সন্মুখিন হয় তেন্তে জানি থওক যে পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মীৰ দল আপোনাৰ ঘৰত উপস্থিত হৈ আপোনাৰ সকলো সমস্যা থাউকতে সমাধান কৰিব ৷ মুঠতে ৩১ মাৰ্চৰ আগতে যানবাহনৰ কৰমুক্ত হওক। নহ'লে বিত্তীয় বৰ্ষৰ অন্ত পৰিলেই আপোনাৰ বাহনৰ আৰু চকা নুঘূৰে। পথত উঠা মাত্ৰকে জব্দ হ'ব কৰ অনাদায়ী বাহন। ভৰিব লাগিব অধিক জৰিমণা। পঞ্জীয়ন বাতিল কৰি ততালিকে স্ক্ৰেপলৈকো প্ৰেৰণ হ'ব পাৰে গৰাকীৰ মৰমৰ বাহন। কিয়নো ৰাজ্যৰ উপ-পৰিবহণ আয়ুক্ত তথা অতিৰিক্ত দায়িত্ববাহী কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া গৌতম দাসৰ নেতৃত্বত মহানগৰীৰ ঘৰে ঘৰে উপস্থিত হৈ শীঘ্ৰে যানবাহনৰ বকেয়াসহ যাৱতীয় সকলো কৰ আদায়ৰ বাবে অন্তিম জাননী প্ৰেৰণ কৰিছে পৰিবহণৰ বিষয়া-কৰ্মীৰ দলে। ১লাখতকৈও অধিক কৰ অনাদায়ী বাহনৰ গৰাকীলৈ এছএমএছযোগে প্ৰেৰণ কৰা হৈছে কৰ পৰিশোধৰ অন্তিম জাননী । জিলা পৰিবহণ বিষয়া (প্ৰৱৰ্তক) হিমাংশু কুমাৰ দাসৰ তত্বাৱধানত প্ৰৱৰ্তক পৰিদৰ্শকৰ দলে কৰ অনাদায়ী বাহনৰ বিৰুদ্ধে মহানগৰীৰ প্ৰধান পথসমূহৰ লগতে অলিয়ে-গলিয়ে অতৰ্কিত অভিযান জোৰদাৰ কৰি তুলিছে। আজিৰ দিনটোত মহানগৰীৰ সমীপৰ ১৬টা ক'ক আৰু চিমেন্ট উদ্যোগত প্ৰৱেশ কৰি শীঘ্ৰে যানবাহনৰ যাৱতীয় কৰ আদায়ৰ বাবে অন্তিম সময়সীমা ঘোষণা কৰিছে। কৰ আদায় নিদিলে অনাগত দিনত সন্মুখিন হ'বপৰা বিপদ সন্দৰ্ভত অৱগত কৰিবলৈয়ো পাহৰা নাই অভিযানকাৰী দলে। সেয়ে ৰাজ্যৰ উপ-পৰিবহণ আয়ুক্ত গৌতম দাসে এই সন্দৰ্ভত কয় যে, যানবাহন চলোৱাতো এতিয়া আৰু কেৱল ব্যক্তিগত চখ, ব্যৱসায় বাণিজ্য পৰিচালনা অথবা আভিজাত্য প্ৰদৰ্শন মাথোঁ হৈ থকা নাই । নিজৰ লগতে দহ আৰু দেশৰ বাবে প্ৰতিগৰাকী দায়িত্বশীল নাগৰিকৰ এয়া এক সামাজিক দায়বদ্ধতা। সেয়ে সজাগ হওক, সতৰ্ক হওক। ৩১ মাৰ্চৰ আগতে আপোনাৰ বাহনৰ বকেয়াসহ যাৱতীয় সকলো কৰ আদায় দিয়ক আৰু বাহনৰ নথিপত্ৰ নৱীকৰণ কৰি ৰাজ্যৰ ৰাজপথত বিপদমুক্ত যাতায়াত অব্যাহত ৰখাত দায়বদ্ধতাৰে সেৱা আগবঢ়াওক।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক ।

## বৰপেটা সত্ৰৰ পৰম্পৰা অনুসৰি তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী

# ওদালগুৰিত আজিৰে পৰা শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ আৰম্ভ

**ই-সংবাদ, ওদালগুৰি ২৩ মাৰ্চ:** প্ৰতি বছৰৰ দৰে এইবেলিও শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱটি বৰপেটা সত্ৰৰ পৰম্পৰা অনুসৰি অহা ২৪, ২৫ আৰু ২৬ মাৰ্চত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ওদালগুৰিৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সত্ৰ প্ৰাঙ্গনত উদযাপন কৰিবলৈ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২৪ মাৰ্চৰ পুৱা ৫ বজাত নিত্য প্ৰসঙ্গ পৰিচালনা কৰিব শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ ভকতবৃন্দই। সন্ধিয়া ৬-৩০ বজাত শ্ৰীশ্ৰীকৃষ্ণৰ দৌল যাত্ৰা (গন্ধ উৎসৱ)ৰ শুভাৰম্ভ। গন্ধোৎসৱ উপলক্ষে পৰম্পৰাগত ভাৱে বৰপেটাৰ আতচবাজী প্ৰদৰ্শনীৰ শুভাৰম্ভ কৰিব বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। ৭-৩০ বজাত মেজি প্ৰজ্বলন কৰিব বিমল ভকতে। ইয়াৰ পিছতেই শ্ৰীশ্ৰীকৃষ্ণ গোসাইঁক দৌলত আৰোহন কৰোৱা হব। সন্ধিয়া ৮বজাত মঞ্চ উদ্বোধন কৰিব সাংসদ দিলীপ শইকীয়াই, ৮-৩০ বজাত সঙ্গীত নাটক অকাডেমী বটাঁপ্ৰাপক গুণীন্দ্ৰ নাথ ওজাক সম্বৰ্দ্ধনা, ৮-৪৫ বজাত হোলীগীতৰ পুথি উন্মোচন কৰিব গুণীন্দ্ৰ নাথ ওজাই, নিশা ন বজাত আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান। ২৫ মাৰ্চৰ পুৱা ৭ বজাত নিত্য প্ৰসঙ্গ। পুৱা ১০ বজাত খেল ধেমালি প্ৰতিযোগিতা পৰিচালনা কৰিব টাউন স্পৰ্টচ ক্লাবে। বিয়লি ৩ বজাত মধ্য ওদালগুৰি ৰাজহুৱা নামঘৰ(ৰাখাল ঘৰ)ৰ পৰা আৰম্ভ হব বাটৰহোলী প্ৰতিযোগিতা। উক্ত বাটৰ হোলীগীত প্ৰতিযোগিতা উদ্বোধন কৰিব বিটিচিৰ উপমুখ্য কাৰ্যবাহী সদস্য তথাস্থানীয় বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে। অনুষ্ঠানত উপস্থিত থাকিব বিটিচিৰ কাৰ্যবাহী সদস্য ড° নিলুট স্বৰ্গীয়াৰী, ওদালগুৰি পৌৰসভাৰ পৌৰপতি ৰাকেশ বড়ো আৰু জেষ্ঠ্য নাগৰিক নৰেশ্বৰ ডেকা। সন্ধিয়া ৭ বজাত মঞ্চ উদ্বোধন কৰিব প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰীয়ে। ৭-৩০ বজাত সম্বৰ্দ্ধনা অনুষ্ঠান আৰু নিশা ৮ বজাত মঞ্চত হোলীগীত প্ৰতিযোগিতা। ২৬ মাৰ্চত সুঁৱেৰী (হোলী উৎসৱ)। আবেলি ২ বজাত ঘুনুচা যাত্ৰা। শ্ৰীমন্ত শংকৰদেৱ সত্ৰ ওদালগুৰিৰ পৰা যাত্ৰা আৰম্ভ কৰি মধ্য ওদালগুৰি ৰাজহুৱা ( ৰাখাল) নামঘৰলৈ তাৰ পিছত পুনৰ শ্ৰীমন্ত শংকৰদেৱ সত্ৰলৈ প্ৰত্যাৱৰ্ত্তন কৰা হ'ব। আবেলি ৪ বজাত বাঁহভঙা প্ৰদৰ্শন আৰু আবেলি ৫ বজাত শ্ৰীকৃষ্ণ গোসাঁই গৃহ ( মণিকূট)ত প্ৰৱেশেৰে দৌল উৎসৱৰ সামৰণি পৰিব। উক্ত সকলো কাৰ্যসূচীতে উপস্থিত থাকি কাৰ্যসূচী সফল কৰি তুলিবলৈ সত্ৰ পৰিচালনা সমিতি আৰু দৌল মহোৎসৱ উদযাপন সমিতিয়ে আহ্বান জনাইছে।

# বকোত ভাৰতীয় উদ্যোগ বিকাশ প্ৰতিষ্ঠানৰ বিশেষ হস্ততাঁত প্ৰশিক্ষণ

**গুৱাহাটী, ২৩ মাৰ্চঃ** আইডিবিআই বেংকৰ সহযোগত ভাৰতীয় উদ্যোগ বিকাশ প্ৰতিষ্ঠানে 'ৰিভাইটেলাইজিং ইনোভেশ্যন ফৰ ছাছটেইনেবল এণ্টাৰপ্ৰাইজ’ চমুকৈ আৰআইএছই নামৰ এক প্ৰকল্প আৰম্ভ কৰিছে। এই প্ৰকল্পৰ লক্ষ্য হৈছে প্ৰযুক্তিভিত্তিক হস্ততাঁত কাৰ্যসূচীৰ জৰিয়তে হস্ততাঁতৰ ক্ষেত্ৰত উদ্যোগীকৰণৰ ব্যৱস্থা কৰা৷ এই প্ৰকল্পৰ জৰিয়তে কামৰূপ জিলাৰ বকো অঞ্চলৰ পাইৰাংগা, ৰায়পাৰা, মিলনপুৰ আৰু বোন্দাপাৰা আদি চাৰিখন গাওঁ অঞ্চলত বিত্তীয় বৰ্ষৰ(২০২৩-২৪ ) বাবে হস্তাতত উদ্যোগত উদ্ভাৱন আৰু বহনক্ষমতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি উক্ত অঞ্চলৰ মহিলা সকলক হস্ততাঁত খণ্ডত উন্নত সাধন কৰাৰ লক্ষ্য কৰি লোৱা হৈছে৷ এই উদ্দেশ্যে উক্ত অঞ্চলৰ মহিলাসকলৰ মাজত প্ৰকল্পৰ জৰিয়তে উন্নত জেকৰ্ড যন্ত্ৰপাতিৰে হস্ততাঁত খণ্ডৰ প্ৰগতিশীল বয়নকাৰী সকলক শক্তিশালী কৰা, তেওঁলোকৰ ব্যৱসায়িক দক্ষতা বৃদ্ধি আৰু বহন ক্ষমতা নিশ্চিত কৰা, যিয়ে তেওঁলোকৰ পণ্য সামগ্ৰীৰ বৈচিত্ৰ্য আৰু বজাৰৰ চাহিদাৰ সৈতে আপডেটকৰাত সহায় কৰিব৷ বকোৰ বন্দাপাৰা আৰু মিলনপুৰ গাওঁত প্ৰযুক্তিভিত্তিত উদ্যোগীকৰণ প্ৰশিক্ষণ নিজ নিজ হিতাধিকাৰীয়ে প্ৰযুক্তিগতভাৱে উন্নত জেকৰাৰ্ড তাঁতশালত তাঁতশালৰ সামগ্ৰীপ্ৰস্তুত কৰাৰ লক্ষ্যৰে সফলতাৰে সম্পন্ন কৰে। বৰ্তমান পাইৰাংগা আৰু ৰায়পাৰা গাওঁত এই প্ৰশিক্ষণ কাৰ্য চলি আছে৷ প্ৰশিক্ষণত অংশগ্ৰহণকাৰীসকলক গুৱাহাটীৰ ইডিআই উত্তৰ-পূৱ আঞ্চলিক কাৰ্য্যালয় (নেৰ’)ৰে বজাৰ সংযোগ আৰু সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত সহায় আগবঢ়াব৷ এই প্ৰকল্পটো ভৱিষ্যতে ওডালগুৰি জিলাতো ৰূপায়ণ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে৷ মহিলাসকলৰ উন্নয়ন আৰু উদ্যোগকৰণত হস্ততাঁত খণ্ডক প্ৰসাৰিত কৰিব বুলি আশা প্ৰকাশ কৰিছে আয়োজকসকলে।

### কেৰিয়াৰ পৰামৰ্শদাতা ড০ বুলজিৎ বুঢ়াগোহাঁইৰ শিক্ষাৰ্থীৰে মত-বিনিময়

# বি বৰুৱা মহাবিদ্যালয়ত শিক্ষা বিভাগৰ বাৰ্ষিক বক্তৃতা অনুষ্ঠান




**গুৱাহাটী, ২৩ মাৰ্চ :** বি বৰুৱা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ বাৰ্ষিক বক্তৃতা অনুষ্ঠানটো ২৩ মাৰ্চত অনুষ্ঠিত হয় আৰু বক্তৃতা অনুষ্ঠানটোৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে ৰাজ্যখনৰ এগৰাকী আগশাৰীৰ কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডন বস্ক' বিশ্ববিদ্যালয় স্কুল অৱ টেকন'লজীৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী ড° বুলজিৎ বুঢ়াগোহাঁই । বি বৰুৱা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী ড° ৰূপা বৰুৱাই আদৰণী ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত সমল ব্যক্তিৰ পৰিচয় দাঙিধৰে শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱীকা ফুকনে। ড° বুলজিৎ বুঢ়াগোহাঁয়ে 'শিক্ষা' বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰীসকলৰ বাবে থকা কেৰিয়াৰৰ সুযোগৰ বিষয়ে আলোচনা কৰে। তেওঁ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা তথা নিযুক্তিৰ বাবে আয়োজন কৰা সাক্ষাৎকাৰবোৰত সাধাৰণ জ্ঞানৰ প্ৰয়োজনীয়তাৰ বিষয়েও উল্লেখ কৰে। লগতে তেওঁ ইন্টাৰনেটৰ জৰিয়তে কেৰিয়াৰ বিষয়ৰ তথ্য কেনেকৈ শুদ্ধভাৱে সংগ্ৰহ কৰিব পাৰি সেই বিষয়েও আলোচনা কৰে।বি বৰুৱা মহাবিদ্যালয় আৰু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ শিক্ষাৰ্থীসকলৰ লগতে অধ্যাপকসকলেও অংশগ্ৰহণ কৰা অনুষ্ঠানটোত ড°বুঢ়াগোহাঁয়ে বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে । কেৰিয়াৰ পৰামৰ্শদাতা ড° বুঢ়াগোহাঁয়ে প্ৰতি শনিবাৰে বিয়লি ৬বজাৰ পৰা ৯বজালৈ ফোনযোগে (৯৪৩৫১৮৮৬৩০) বিনামূলীয়াকৈ আগবঢ়োৱা কেৰিয়াৰ পৰামৰ্শৰ বিষয়েও অৱগত কৰে ।

# গো-ধনসহ নেচাবুদ্দিন, জামাত আলীক গ্ৰেপ্তাৰ আৰক্ষীৰ

**ই-সংবাদ, চাপৰ, ২৩ মাৰ্চঃ** ধুবুৰী জিলাৰ চাপৰত আৰক্ষীয়ে অভিযান চলাই দুজন গো-মাফিয়াক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। চাৰিটা গো-ধন জব্দ কৰাৰ লগতে বঙাইগাঁও জিলাৰ বিদ্যাপুৰৰ নেচাবুদ্দিন আৰু বাসুগাঁৱৰ জামাত আলীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে চাপৰ আৰক্ষী। জানিব পৰা মতে, চাপৰ আৰক্ষী থানাৰ উপ-পৰিদৰ্শক ইনুছ তালুকদাৰৰ নেতৃত্বত মৌখোৱা অঞ্চলত চলা অভিযানত চাৰিটা গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চোৰাংকৈ সৰবাৰহ কৰা চাৰিটাকৈ গৰু জব্দ কৰাৰ লগতে দুই গো-সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। চোৰাং গো সৰবৰাহকাৰী কাণ্ডাৰ মুখ্য মাষ্টাৰমাইণ্ড বঙাইগাঁও জিলাৰ ঔডুবীৰ ছাদুল্লা বুলি জানিবলৈ দিয়ে নেচাবুদ্দিন আৰু জামাত আলীয়ে। ঘটনা সন্দৰ্ভত চাপৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ৰাজ্যত হিন্দুত্ববাদী চৰকাৰ থকাৰ পাছতো আজিও গো-ধনৰ চোৰাং সৰবৰাহ অব্যাহত আছে। বিজেপি নেতাসকল তথা ৰাজ্য চৰকাৰ কঠোৰ হ'লেও একাংশ গো-মাফিয়াই অব্যাহত ৰাখিছে গোধনৰ অবৈধ সৰবৰাহ।

# বংগৰ ৬টা সমষ্টিক আৰ্থিক সংবেদনশীল ঘোষণা

**কলকাতা, ২৩ মাৰ্চঃ** নিৰ্বাচন মানেই ঠায়ে ঠায়ে টকাৰ উজান। অসচেতন ভোটাৰক সুৰাৰ বটল, নগদ ধনৰ লোভ দেখুৱাই ভোট ক্ৰয়ৰ চেষ্টা নিৰ্বাচনৰ পূৰ্বৰ এই সময়খিনিতে আৰম্ভ কৰে একাংশ দল আৰু প্ৰাৰ্থীয়ে। এনে পৰিপ্ৰেক্ষিতত প্ৰত্যেক নিৰ্বাচনৰ পূৰ্বে উদ্ধাৰ হয় গাড়ীয়ে গাড়ীয়ে টকা, সুৰাৰ বটল আৰু আন আন প্ৰলোভনীয় সামগ্ৰী। ২০২৪ৰ লোকসভা নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰাৰ পিছতে এনে ভোটক্ৰয়ৰ চেষ্টা ৰোধ কৰিবলৈ পশ্চিম বংগৰ ৬টা সমষ্টিক 'আৰ্থিকভাৱে সংবেদনশালী' ঘোষণা কৰিছে নিৰ্বাচন আয়োগে। এই সমষ্টি কেইটাৰ পৰিস্থিতিৰ প্ৰতি নজৰ ৰাখিবলৈ ইতিমধ্যে কেন্দ্ৰ আৰু ৰাজ্যৰ ২২টা তদন্তকাৰী সংস্থাক নিৰ্দেশ দিছে নিৰ্বাচন আয়োগে। আয়োগে আৰ্থিকভাৱে সংবেদনশীল ঘোষণা কৰাপশ্চিম বংগৰ এই লোকসভা সমষ্টিকেইটা হৈছে দাৰ্জিলিং, উত্তৰ মালদা, দক্ষিণ মালদা, আছানছল, বনগাঁও আৰু উত্তৰ কলকাতা। আয়োগৰ সূত্ৰৰ মতে, পূৰ্বৰ নিৰ্বাচনত সেই কেন্দ্ৰসমূহৰ পৰা বহু নগদ ধন উদ্ধাৰ কৰা হৈছিল। সমান্তৰালভাৱে জব্দ কৰা হৈছিল বৃহৎ পৰিমাণৰ সুৰাও। পূৰ্বৰ অভিজ্ঞতাৰ বাবেই এইবাৰো সমষ্টি কেইটা সংবেদনশীল ঘোষণা কৰি ধন অথবা সুৰাৰ জৰিয়তে ভোট ক্ৰয়ৰ চেষ্টা ৰোধ কৰাত গুৰুত্ব প্ৰদান কৰিছে নিৰ্বাচন আয়োগে।

# বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰৰ বিয়োগ



**ই সংবাদ, ২৩মাৰ্চঃ** বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামীৰ আকস্মিক বিয়োগ। দৌল মহোৎসৱৰ প্ৰাক ক্ষণত বটদ্ৰৱাবাসীৰ মূৰত সৰগ ভাগি পৰিল। বটদ্ৰৱা মহীৰূহ, সত্ৰীয়া সংস্কৃতিৰ সাধক, বিশিষ্ট অভিনেতা, গায়ন, বায়ন তথা বটদ্ৰৱাৰ বটবৃক্ষ স্বৰূপ দেৱগোস্বামীৰ শনিবাৰে সন্ধিয়া হঠাৎ বুকুৰ বিষ অনুভৱ কৰে। পৰিয়ালৰ লোকে ততাতৈয়াকৈ নগাঁৱৰ জীতেন গোহাইঁ নাৰ্চিং হোমলৈ লৈ আনে। চিকিৎসাৰ বাবে আনাৰ পিছতেই নিশা ৯ বজাত তেওঁৰ মৃত্যু হয় ৷ নগাঁৱৰ গোঁহাই নাৰ্চিংহোমত শেষ নিশ্বাস ত্যাগ কৰে সত্ৰাধিকাৰজনে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২বছৰ ৷ মৃত্যুৰ সময়ত তেওঁ তেওঁৰ পত্নী, দুজন পুত্ৰ সহ বহু আত্মীয় স্বজন, ইষ্ট কুটুম্ব, গুণমুগ্ধক ইহ-সংসাৰত এৰি থৈ যায়।

# অসম ব্ৰাহ্মণ সমাজৰ মধ্যকালীন বাৰ্ষিক অধিৱেশন




**ই সংবাদ, ২৩মাৰ্চঃ** অসম ব্ৰাহ্মণ সমাজৰ একাদশ মধ্যকালীন বাৰ্ষিক অধিৱেশনখনি যোৱা ২০ মাৰ্চৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বিহপুৰীয়া নগৰৰ শ্ৰী শ্ৰী বিষ্ণু মন্দিৰ প্ৰাঙ্গনস্থিত বটবৃক্ষ ক্ষেত্ৰত অনুষ্ঠিত হয় ৷ এই উদ্দেশ্যে প্ৰথম দিনা বিয়লি যাজ্ঞিক সকলৰ মুণ্ডন অনুষ্ঠান , শ্ৰী শ্ৰী মহাবিষ্ণু যজ্ঞ আৰু উপনয়নৰ অধিবাস, বন্তি প্ৰজ্বলন আৰু সন্ধিয়াৰে পৰা আৰতি পৰ্ব সম্পন্ন হয় ৷ দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি পুৱাৰে পৰা এক ধৰ্মীয় মাংগলিক পৰিৱেশত যজ্ঞ আৰু উপনয়নৰ আভ্যুদয়িক শ্ৰাদ্ধৰ পিছতে বিহপুৰীয়া আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সভাপতি ড° ঈশ্বৰ শৰ্মা ভৰালীয়ে বিহপুৰীয়া আঞ্চলিক ব্ৰাহ্মণ সমাজৰ পতাকা, অভ্যৰ্থনা সমিতিৰ সম্পাদক বিশ্বনাথ শৰ্মাই অভ্যৰ্থনা সমিতিৰ পতাকা আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰফুল্ল ভাগৱতীয়ে ধৰ্মধ্বজা উত্তোলন কৰে ৷ ইয়াৰ পিছতে ঋত্বিক বৰণ, শ্ৰী শ্ৰী মহা বিষ্ণু যজ্ঞ আৰু উপনয়ন, যজ্ঞাগ্নি আহৰণ আৰু যজ্ঞাৰম্ভ, ভোগ বিতৰণ, সন্ধিয়া আৰতি আৰু নিশাৰ ভাগত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে দ্বিতীয় দিনৰ কাৰ্যসূচী সামৰণি পৰে৷ তৃতীয় দিনাৰ কাৰ্যসূচী অনুসৰি বেদমন্ত্ৰ পাঠ, যজ্ঞাৰম্ভ, পূৰ্ণাহুতি, শান্তি আৰু নিৰ্মালী প্ৰদান, উপনীতসকলক শিক্ষা প্ৰদান, অসম মহিলা ব্ৰাহ্মণ সমাজৰ কাৰ্য নিৰ্বাহক সভা আৰু সন্ধিয়া ৰাজ্যিক কাৰ্যনিৰ্বাহক আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হয়৷ শনিবাৰে পুৱা অসম ব্ৰাহ্মণ সমাজৰ ক্ৰমে সভাপতি খগেন গোস্বামীৰ দ্বাৰা অসম ব্ৰাহ্মন সমাজৰ পতাকা উত্তোলন , কাৰ্যকৰী সভাপতি অমূল্য শৰ্মাৰ আৰু মুখ্য উপদেষ্টা বীৰেণ শৰ্মাৰ দ্বাৰা স্মৃতি তৰ্পণ কৰা হয়৷

# শেষ পৃষ্ঠা

## আই পি এলত পঞ্জাৱৰ জয়

**মুলানপুৰ, ২৩ মাৰ্চঃ** ইণ্ডিয়ান প্ৰীমিয়াৰ লীগৰ আজিৰ প্ৰথমখন খেল দিল্লী কেপিটেলছৰ বিৰুদ্ধে পঞ্জাৱ কিংছে চাৰি উইকেটত জয়লাভ কৰিছে। জয়ৰ বাবে ১৭৫ ৰানৰ লক্ষ্যলৈ পঞ্জাৱে ছাম কুৰেনৰ অৰ্ধ শতৰানৰ সহায়ত ১৯.২ অভাৰত ছয় উইকেটত হেৰুৱাই ১৭৭ৰান সংগ্ৰহ কৰি জয়লাভ কৰে। দলটোৰ হৈ কুৰেনে ৬৩ পৰশ্বিমৰান সিঙে ২৬ আৰু লিয়াম লিভিংষ্টনে অপৰাজিতভাৱে কৰে ৩৮ ৰান। দিল্লীৰ হৈ কুলদীপ যাদৱ আৰু খলিল আহমেদ দুটাকৈ আৰু ঈশান শৰ্মাই এটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে টছত জয়ী হৈ পঞ্জাৱৰ অধিনায়ক শিখৰ ধাৱানে দিল্লীক প্ৰথমে বেটিং কৰাৰ বাবে আমন্ত্ৰণ জনায়। নিৰ্ধাৰিত অভাৰত নটা উইকেট হেৰুৱাই দলটোৱে সংগ্ৰহ কৰে ১৭৪ ৰান। ছাই হোপে ৩৩, অভিষেক পৰেলে ৩২ আৰু ডেভিদ ৱাৰ্ণাৰে কৰে ২৯ ৰান। পঞ্জাৱৰ আৰ্শদীপ সিং আৰু হৰ্ষাল পেটেলে দুটাকৈ উইকেট লয়।

## গুৱাহাটীত গুলীবিদ্ধ যুৱক



**ই সংবাদ, ২৩মাৰ্চঃ** গুৱাহাটীৰ হোটেলত গুলীবিদ্ধ যুৱক। বৰবাৰীৰ ল'জত উদ্ধাৰ হৈছে এজন গুলীবিদ্ধ যুৱক। ভৰিত গুলি লগা যুৱকজনৰ ঘৰ মণিপুৰত বুলি জানিব পৰা গৈছে। মণিপুৰতেই গুলীবিদ্ধ হৈছিল যুৱকজন। চিকিৎসাৰ বাবে গুৱাহাটীত আত্মগোপন কৰি থকাৰ সন্দেহ আৰক্ষীৰ। তথ্যৰ ভিত্তিত অভিযান চলায় যুৱকজনক আটক কৰি ইতিমধ্যে জিএমচিএইচলৈ প্ৰেৰণ কৰা হৈছে। যুৱকজন কোনো উগ্ৰপন্থী সংগঠনৰ সদস্য হোৱাৰ সন্দেহৰ সৃষ্টি হৈছে।




■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ইলেক্টৰেল বণ্ড, যদু-মধু

বাতৰি প্ৰচাৰ নহয়। ছ'চিয়েল মিডিয়াত অলপ-অচৰপ চৰ্চা চলিছিল যদিও চল্লিশ উৰ্ধ্বৰ (গ্ৰামাঞ্চলৰ) আশী শতাংশ লোকৰে ফেচবুক, হোৱাটছএপ, টুইটাৰৰ সৈতে কোনো সম্পৰ্ক নাই। আনহাতে যিসকলৰ সম্পৰ্ক আছে, তেওঁলোকৰো অধিক সংখ্যকে কেৱল ফেচবুক, ইনষ্টাগ্ৰামত ৰীল ভিডিঅ'হে চায়। কিন্তু ইলেক্টৰেল বণ্ডৰ প্ৰভাৱ ভিতৰুৱা গাঁওখনৰ যদু-মধু কিম্বা আটাইতকৈ দৰিদ্ৰ লোকজনৰ ওপৰতো জানো নপৰাকৈ আছে? এতিয়া খবৰ ওলাইছে ৮০০ বিধ জীৱন-দায়িনী ঔষধৰ দাম বৃদ্ধি পাব। একেবাৰে কম- ০.০৫৫ টকা মাত্ৰ। কিন্তু ১৪০ টকীয়া দৰৱটো কিনিবলৈ গৈ এতিয়া আগতকৈ ৮ টকা বেছি ভৰিবলগীয়া হ'ব। ৮ টকা কম নেকি? কিন্তু গাঁৱৰ সেই গোৱাৰ দৰিদ্ৰ লোকজনক কোনে বুজাব যে ঔষধ কিনিবলৈ গৈ তেওঁ যোৱা মাহতকৈ ৮ টকা বেছি ভৰিবলগীয়া হোৱাৰ কাৰণ যে সেই ইলেক্টৰেল বণ্ড! ফাৰ্মা কোম্পানীসমূহে চৰকাৰক চান্দা দি ঔষধৰ দাম বৃদ্ধি কৰাৰ বাট মোকলাই লৈছে আৰু তাৰ পৰিণাম ভোগ কৰিবলগীয়া হৈছে সাধাৰণ জনতাই। ফেচবুক, টুইটাৰ ব্যৱহাৰ নকৰা আৰু টিভিত ইলেক্টৰেল বণ্ডক লৈ খবৰ নোপোৱা অশিক্ষিত মানুহখিনিক কোনে বুজাব তেওঁলোকৰ মূৰৰ ওপৰত অতিৰিক্ত দামৰ বোজা জাপি দিয়াৰ আঁৰত কোন? এইখিনিতে দায়িত্ব হ'ব লাগিছিল আমাৰ বিৰোধীসকলৰ। কিন্তু নাই, তেওঁলোক ব্যস্ত পানীত ননমাকৈ সাগৰৰ গভীৰতাক লৈ দম্ভালি মৰাত। বিজেপি চোৰ, বিজেপিয়ে লুটি খাইছে, বিজেপি জাতি বিৰোধী, মুখ্যমন্ত্ৰী দুৰ্নীতিগ্ৰস্ত, প্ৰধানমন্ত্ৰী ফাঁকিবাজ আদি কৈ থাকি জনতাক সৈমান কৰিব নোৱাৰি। 'মূৰ্খ' জনতাই যি দেখিবলৈ পাইছে তাতেই সন্তুষ্ট, যি দেখা নাই সেয়া বা মানি ল'ব কিয়? জনতাই অৰুণোদয় পাইছে, ৫ কেজিকৈ চাউল পাইছে। গতিকে বিজেপিৰ সংগ এৰি আনৰ কথাত বিশ্বাস কৰিব কিয়? কিন্তু যদি বিৰোধীয়ে গাঁৱে গাঁৱে গৈ সেই দুখীয়া, অজলা মানুহজনকো সৰল ভাষাত বুজাব পাৰে যে তেওঁৰ জীৱন দুঃসহ কৰা সকলৰ বাবে দায়ী কোন, তেতিয়া হয়তো তেওঁৰ মন জাগ্ৰত হ'ব পাৰে আৰু হয়তো তেতিয়াই পৰিৱৰ্তন সম্ভৱ হ'ব। অন্যথা...।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান